No. of Printed Pages : 5 **FAS-01**

# BACHELOR'S DEGREE PROGRAMME (BDP)

## Term-End Examination

## December, 2024

### FAS-01 : FOUNDATION COURSE

### IN ASSAMESE

*Duration : 2 Hours* *Maximum Marks: 50*

ছপা কৰা পৃষ্ঠাৰ সংখ্যা: 5 **FAS-01**

স্নাতক ডিগ্ৰী কাৰ্যসূচী

টাৰ্ম-সমাপ্তি পৰীক্ষা

ডিচেম্বৰ -2024

**FAS-01**: অসমীয়া ফাউণ্ডেছন ক'ৰ্ছ

সময়: *2* ঘন্টা সৰ্বাধিক নম্বৰ: *50*

---

*টোকা:* প্ৰশ্নবোৰ পঢ়ি উত্তৰ লিখক।

---

1. তলত দিয়া প্ৰশ্নবোৰৰ শুদ্ধ বিকল্পৰ নিৰ্ণয় (√) কৰক :

5x1=5

(a) কোনে কামৰূপী প্ৰাকৃতৰ পৰা অসমীয়া ভাষাৰ উদ্ভৱ হোৱা বুলি মত পোষণ কৰিছে?

(i) হেমচন্দ্ৰ বৰুৱা ( )

(ii) ডিম্বেশ্বৰ নেওগ ( )

(iii) বাণীকান্ত কাকতি ( )

(b) ১৮৮৯ চনত প্ৰকাশ হোৱা 'জোনাকী'ৰ প্ৰথম সম্পাদক কোন আছিল?

(i) লক্ষ্মীনাথ বেজবৰুৱা ( )

(ii) চন্দ্ৰকুমাৰ আগৰৱালা ( )

(iii) পদ্মনাথ গোহাঞিবৰুৱা ( )

(c) প্ৰাচীন নালন্দা বিশ্ববিদ্যালয় কোনে সংস্কাৰ কৰিছিল?

(i) আহোম ৰজাসকলে ( )

(ii) সেন বংশৰ ৰজাসকলে ( )

(iii) পাল বংশৰ ৰজাসকলে ( )

(d) অসামৰিক বা নাগৰিক অধিকাৰ উপভোগৰ বাবে কি অপৰিহাৰ্য?

(i) দেশৰ সাৰ্বভৌমত্ব ৰক্ষা ( )

(ii) ৰাষ্ট্ৰৰ প্ৰশাসনত অংশ গ্ৰহণ কৰা ( )

(iii) সমাজত সুসভ্য জীৱন যাপন ( )

(e) প্ৰকৃত প্ৰণালীৱদ্ধ দৰ্শন ভাৰতত কেতিয়া উদ্ভৱ হয়?

(i) মহাকাব্যৰ দিনৰ পৰা ( )

(ii) বেদৰ দিনৰ পৰা ( )

(iii) পুৰাণৰ দিনৰ পৰা ( )

2. সম্পূৰ্ণ বাক্যত উত্তৰ দিয়ক : 5x1=5

(a) কোনখন পুথি প্ৰকাশ হোৱাৰ পিছত অসমীয়া ভাষাৰ আধুনিক যুগৰ সূচনা হয়?

(b) শঙ্কৰদেৱৰ সমকালীন চাৰিজন বৈষ্ণৱ কবি কোন কোন আছিল?

(c) দাক্ষিণাত্যত নৱৰাত্ৰিৰ প্ৰথম তিনিদিন কাৰ পূজা কৰা হয়?

(d) ভাৰত বুৰঞ্জীৰ কোন যুগক 'সোণালী যুগ' আখ্যা দিয়া হয়?

(e) যোগ দৰ্শনৰ ৰচক কোন?

3. আজাদ হিন্দ ফৌজৰ বিষয়ে চমু টোকা লিখক। 5

অথবা

অসমৰ মানুহৰ খাদ্যাভাসৰ চমু বিৱৰণ দিয়ক।

4. সংক্ষেপে যিকোনো পাঁচটাৰ উত্তৰ লিখক : 5x2=10

(a) অসমৰ চৰিত সাহিত্য কি?

(b) ইন্দিৰা গান্ধীয়ে ভাৰতত সেউজ-বিপ্লৱৰ পৰিকল্পনা কিয় কৰিছিল?

(c) কম্পিউটাৰৰ গুণাগুণ কি?

(d) শিৱাজীৰ কি বিশেষত্ব আছিল?

(e) ন্যায় দৰ্শনৰ মতে প্ৰমাণ কি আৰু কেইবিধ?

(f) ধৌলগিৰি কি আৰু তাত কি কি ঐতিহাসিক স্মৃতি সংৰক্ষিত হৈ আছে?

(g) শ্ৰীমন্ত শঙ্কৰদেৱে অনন্ত কন্দলিক কি কাম কৰিবলৈ পাচিছিল?

(h) বংগদেশক কোনে কি কাৰণে দুভাগত বিভক্ত কৰিছিল?

(i) আখৰ-জোঁটনিৰ স্থিৰতা বহুখিনি কিহৰ ওপৰত নিৰ্ভৰ কৰে?

খ শাখা

5. যিকোনো পাঁচটা খণ্ডবাক্য ব্যৱহাৰ কৰি অৰ্থপূৰ্ণ বাক্য ৰচনা কৰক : 5x1 =5

কাণে কাণ মাৰি, কলহৰ কাণে পানী ঢলা, চুক ভেকুলী, ৰিণিকি-ৰিণিকি, চকু মুদা কুলি, আপোন পেটা, পহু খেদা, গইনা লৈ।

6. বিশেষ্য আৰু সৰ্বনামৰ ভেদ উদাহৰণসহ বুজাই লিখক। 5

অথবা

যিকোনো দুটাৰ চমু টোকা লিখক :

চৰ্যাপদ, বেঙ্কৰ জাতীয়কৰণ, ওনাম, ঊষা, জমাবন্দী।

7. আপুনি অধ্যয়ন কৰা এখন মনোগ্ৰাহী পুথিৰ চমু পৰিচয় দিয়ক। 5

8. যিকোনো এটা বিষয়ৰ ওপৰত এখন ৰচনা লিখক : 10

(i) বন সংৰক্ষণৰ প্ৰয়োজনীয়তা

(ii) অসমৰ বানপানী আৰু ইয়াৰ প্ৰতিকাৰ